REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

Date : 26-01-2026
Time : 21-25 Hrs

ASSAMESE NIGHT BULLETIN

::

দেশজুৰি আজি ৭৭ সংখ্যক গণৰাজ্য দিৱস উদযাপন কৰা হয়। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে নতুন দিল্লীৰ কৰ্তব্যপথৰ পৰা গণৰাজ্য দিৱস উদযাপনত ৰাষ্ট্ৰক নেতৃত্ব দিয়ে। গণৰাজ্য দিৱসৰ কুচকাৱাজত দেশৰ বৰ্ণাঢ্য সংস্কৃতি আৰু সামৰিক শক্তিৰ অনবদ্য প্ৰদৰ্শন দেখিবলৈ পোৱা যায়। এইবাৰৰ কুচকাৱাজত ব্ৰহ্মচ ছুপাৰ ছনিক ক্ষেপনাস্ত্ৰ প্ৰণালী, টি-নাইনটি ভীষ্ম টেংক, অৰ্জুন মূল যুদ্ধ টেংক, আপাচে ছিক্সটি এইট হেলিকপ্টাৰ প্ৰদৰ্শনৰ লগতে ৰব'টিক দ'গ, মানৱবিহীন সেনা বাহন-নিগ্ৰহ আদি ভাৰতীয় প্ৰতিৰক্ষা বাহিনীৰ পৰাক্ৰম প্ৰদৰ্শন কৰা হয়।

গুৱাহাটীৰ খানাপাৰাৰ অসম পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত গণৰাজ্য দিৱসৰ কাৰ্যসূচীত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই পতাকা উৰুৱায়। নিজৰ ভাষণত ৰাজ্যপালগৰাকীয়ে দেশৰ কষ্টোপাৰ্জিত স্বাধীনতা প্ৰমূল্য বৰ্তাই ৰাখিবলৈ ৰাজ্যবাসীৰ প্ৰতি আহ্বান জনায়। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ডিব্ৰুগড় জিলাৰ খনিকৰ খেলপথাৰত আয়োজিত গণৰাজ্য দিৱসৰ কাৰ্যসূচীত পতাকা উৰুৱায়। ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰীয়ে দেশৰ হকে প্ৰাণ আহুতি দিয়া ছহিদৰ প্ৰতি খনিকৰ খেলপথাৰত শ্ৰদ্ধা তৰ্পণ কৰে। এই উপলক্ষে দিয়া ভাষণত মুখ্যমন্ত্ৰীয়ে লাখ লাখ স্বাধীনতা সংগ্ৰামীৰ ত্যাগ আৰু বীৰ ছহিদসকলৰ বলিদানক ত্ৰিৰংগ পতাকাৰ গৌৰৱে প্ৰতিনিধিত্ব কৰে বুলি মত প্ৰকাশ কৰে।

ooooo

অসম বিধানসভাৰ দ্বিতীয়টো চৌহদ ডিব্ৰুগড়ত স্থাপন হ'ব। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে অহা ৩০ জানুৱাৰীত দ্বিতীয়টো চৌহদৰ আধাৰশিলা স্থাপন কৰিব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি সামাজিক মাধ্যমযোগে এইকথা সদৰি কৰিছে। তেওঁ কয় যে ডিব্ৰুগড়ক অসমৰ দ্বিতীয়খন ৰাজধানী হিচাপে গঢ়ি তোলা হ'ব। ইয়াৰ বাবে ৰাজ্য চৰকাৰে প্ৰয়োজনীয় সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰিছে। তেওঁ লগতে কয় যে ডিব্ৰুগড় অসমৰ দ্বিতীয়খন ৰাজধানী হ'ব পাৰে বুলি এসময়ত কোনেও কল্পনাই কৰিব পৰা নাছিল। কাজিৰঙাত এলিভেটেড কৰিড'ৰ আৰু ব্ৰহ্মপুত্ৰৰ তলেৰে সুৰংগ পথ নিৰ্মাণৰ কথা কোনেও ভবা নাছিল বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে বিজেপি চৰকাৰ শাসনকালত সম উন্নয়নক সকলোতকৈ অগ্ৰাধিকাৰ দিয়া হৈছে।

ooooo

ৰাজ্যত অনুষ্ঠিত এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ সময়ত স্বাক্ষৰ কৰা বুজাবুজিৰ চুক্তি মৰ্মে আজি তিনিচুকীয়াত ৰাজ্যৰ দ্বিতীয়খন দক্ষতা বিশ্ববিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰা হয়। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই বিশ্ববিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰে। উল্লেখযোগ্য যে প্ৰথমখন দক্ষতা বিশ্ববিদ্যালয় মঙলদৈত স্থাপন কৰা হৈছে। বিশ্বমানৰ কাৰিকৰী শিক্ষা প্ৰদান কৰিবলগীয়া এই বিশ্ববিদ্যালয়খন ২০০ কোটি টকা

ব্যয়সাপেক্ষে ১০ লাখ বর্গফুট এলেকাত নির্মাণ কৰা হ'ব। নতুন দিল্লীৰ ৱৰ্ল্ড এডুকেচন মিছনৰ সহযোগত বিশ্ববিদ্যালয়খন স্থাপন কৰা হ'ব। এই বিশ্ববিদ্যালয় উজনি অসমৰ লগতে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ যুৱক-যুৱতীসকলক দক্ষতা ভিত্তিত আৰু প্ৰযুক্তি আধাৰিত শিক্ষা প্ৰদানত সহায়ক হ'ব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে। এই শিক্ষানুষ্ঠানখনত পৰম্পৰাগত শিক্ষাৰ লগতে আধুনিক পাঠ্যক্ৰমৰ ব্যৱস্থা কৰা হ'ব বুলিও তেওঁ কয়। প্ৰায় ১০ হাজাৰ শিক্ষাৰ্থীয়ে একেলগে অধ্যয়ন কৰিব পৰা এই বিশ্ববিদ্যালয়ে প্ৰায় দুহেজাৰ ৫০০ লোকৰ বাবে কৰ্মসংস্থাপনৰ সৃষ্টি কৰি সমগ্ৰ অঞ্চলটোক উপকৃত কৰিব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে।

বাইট (চি এম)

oooooo

মহিলাৰ প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাত আজি অনুষ্ঠিত এখন খেলত মুম্বাই ইণ্ডিয়ানছে - ৰয়েল চেলেঞ্জার্ছ বেংগালুৰুক জয়ৰ বাবে ২০০ ৰানৰ লক্ষ্য নির্ধাৰণ কৰি দিছে। কোটাম্বিৰ বডোডৰা আন্তৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত খেলখনত ৰয়েল চেলেঞ্জার্ছ বেংগালুৰু টছত জয়ী হৈ মুম্বাই ইণ্ডিয়ানছক বেট ধৰাৰ বাবে আমন্ত্ৰণ জনায়। নির্ধাৰিত ২০ অভাৰত মুম্বাই ইণ্ডিয়ানছে ৪ টা উইকেট হেৰুৱাই ১৯৯ ৰান সংগ্ৰহ কৰে।

oooooo

ডিব্ৰুগড় জিলাৰ মৰাণৰ এছ্ বি জি ডবা একাডেমীৰ উদ্যোগত দুদিনীয়া কার্যসূচীৰে মৰাণ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত সদৌ অসম প্ৰাইজমানি ডবা প্ৰতিযোগিতাৰ আজি সামৰণি পৰে। সামৰণি অনুষ্ঠানত মন্ত্ৰী বিমল বৰাই অংশগ্ৰহণ কৰি খেলুৱৈসকলক বঁটাসমূহ প্ৰদান কৰে। খেলুৱৈসকলৰ সৈতে মত বিনিময় কৰি শ্ৰী বৰাই তেওঁলোকৰ কৌশল অনাগত দিনত অধিক উন্নত কৰিবলৈ পৰামর্শ আগবঢ়ায়।

oooooo

গুৱাহাটীৰ উজানবজাৰৰ ৰাজবাৰী নিৱাসী কণ্ঠশিল্পী তথা অভিনেতা শৈলেন দাসৰ যোৱা নিশা মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৭৫ বছৰ। গুৱাহাটীৰ সাংস্কৃতিক গোষ্ঠী সমলয়, প্ৰগতি শিল্পী সংঘৰ লগতে ভাৰতীয় গণনাট্য সংঘৰ অসম শাখাৰ সৈতেও তেওঁ ঘণিষ্ঠভাৱে জড়িত হৈ আছিল। আজি নৱগ্ৰহ শ্মশানত তেওঁৰ শেষকৃত্য সম্পন্ন কৰা হয়।

oooooo

ঃঃ সমাপ্ত ঃঃ

ঃঃঃঃঃঃঃঃঃঃঃঃঃঃ